**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 20-02-2025
**Time :** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

ooooo

১। দিল্লীৰ মুখ্যমন্ত্ৰী ৰেখা গুপ্তাই আজি দিল্লী সচিবালয়ত কাৰ্য্যভাৰ গ্ৰহণ কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দিল্লীৰ মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰাৰ বাবে ৰেখা গুপ্তাক অভিনন্দন জনায়।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নতুন দিল্লীত আজি এন ডি এৰ মুখ্যমন্ত্ৰী আৰু উপ-মুখ্যমন্ত্ৰীসকলৰ এখন বৈঠকত অধ্যক্ষতা কৰে।

৩। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে অৰুণাচল প্ৰদেশ আৰু মিজোৰামৰ প্ৰতিষ্ঠা দিৱস উপলক্ষে ৰাজ্য দুখনৰ জনসাধাৰণলৈ শুভেচ্ছা জ্ঞাপন কৰে।

৪। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে জি টুৱেণ্টি বৈদেশিক মন্ত্ৰীসকলৰ বৈঠকত অংশগ্ৰহণ কৰিবলৈ দক্ষিণ আফ্ৰিকাৰ জোহান্সবাৰ্গত উপস্থিত হৈছে।

*আৰু*

৫। আই চি চি চেম্পিয়নছ্ ট্ৰফী ক্ৰিকেট প্ৰতিযোগিতাত বাংলাদেশে ভাৰতক জয়ৰ বাবে ২২৯ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে।

ooooo

দিল্লী বিধায়িনী দলৰ নৱ-নিৰ্বাচিত নেত্ৰী ৰেখা গুপ্তাই আজি দিল্লীৰ মুখ্যমন্ত্ৰী হিচাপে শপতগ্ৰহণ কৰে। দিল্লী বিধানসভাৰ সদ্যসমাপ্ত নিৰ্বাচনত শালিমাৰবাগ সমষ্টিৰ পৰা জয়লাভ কৰা নেত্ৰীগৰাকীয়ে নতুন দিল্লীৰ ঐতিহাসিক ৰামলীলা ময়দানত আয়োজিত এটা আড়ম্বৰপূৰ্ণ অনুষ্ঠানত বহুকেইগৰাকী বিশিষ্ট ব্যক্তিৰ উপস্থিতিত পদ আৰু গোপনীয়তা ৰক্ষাৰ শপত লয়। দিল্লীৰ উপ-ৰাজ্যপাল বিনয় কুমাৰ ছাক্সেনাই শ্ৰীমতী গুপ্তা আৰু মন্ত্ৰীসভাৰ আন ছগৰাকী কেবিনেট মন্ত্ৰীক শপত গ্ৰহণ কৰোৱায়।

মুখ্য সচিব ধৰ্মেন্দ্ৰ কুমাৰ আৰু আন আন জ্যেষ্ঠ বিষয়াসকলে সচিবালয়ত তেওঁক আদৰণি জনায়। ৰাষ্ট্ৰীয় ৰাজধানীখনৰ সাংসদ তথা বিধায়কসকলে শ্ৰীমতী গুপ্তাক সাক্ষাৎ কৰি কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ বাবে

অভিনন্দন জনায়। দায়িত্বভাৰ গ্ৰহণ কৰাৰ পাছত সংবাদ মাধ্যমৰ সৈতে হোৱা কথা-বতৰাত শ্ৰীমতী গুপ্তাই কয়, যে দিল্লী চৰকাৰে **বিকশিত দিল্লী** অভিযানৰ দিশত অহৰহ কাম কৰি যাব।

আজি মন্ত্ৰী সভাত স্থান লাভ কৰা ছগৰাকী মন্ত্ৰী হ'ল - পাৰভেজ বাৰ্মা, আশীষ সুদ, মনজিন্দৰ সিং চিৰছা, ৰবিন্দৰ ইন্দ্ৰজ সিং, কপিল মিশ্ৰা আৰু পংকজ কুমাৰ সিং।

সুষমা স্বৰাজ, শীলা দীক্ষিত আৰু আতিশীৰ পাছত ৰেখা গুপ্তা হৈছে দিল্লীৰ চতুৰ্থগৰাকী আৰু বিজেপিৰ দ্বিতীয়গৰাকী মহিলা মুখ্যমন্ত্ৰী।

আজিৰ শপত গ্ৰহণ অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, গৃহমন্ত্ৰী অমিত শ্বাহ আৰু প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙৰ উপৰি প্ৰায় ২০খন ৰাজ্যৰ মুখ্যমন্ত্ৰী আৰু উপ-মুখ্যমন্ত্ৰীসহ বিজেপিৰ বহুকেইগৰাকী জ্যেষ্ঠ নেতা উপস্থিত থাকে। ০০০০০০

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দিল্লীৰ মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰাৰ বাবে ৰেখা গুপ্তাক অভিনন্দন জনায়। সামাজিক মাধ্যমযোগে দিয়া এটা পোষ্টত শ্ৰীমোদীয়ে কয়, যে শ্ৰীমতী গুপ্তা এগৰাকী তৃণমূল পৰ্য্যায়ৰ পৰা উঠি অহা নেতা। কেম্পাছৰ ৰাজনীতি, ৰাজ্যিক সংগঠন আৰু পৌৰ প্ৰশাসনতো তেওঁ সক্ৰিয় আছিল। দিল্লীৰ নতুন মুখ্যমন্ত্ৰীগৰাকীয়ে দিল্লীৰ উন্নয়নৰ বাবে পূৰ্ণ শক্তিৰে কাম কৰিব বুলি তেওঁ আশা ব্যক্ত কৰে।

প্ৰধানমন্ত্ৰীয়ে পাৰভেজ বাৰ্মা, আশীষ সুদ, মনজিন্দৰ সিং চিৰছা, ৰবিন্দৰ ইন্দ্ৰজ সিং, কপিল মিশ্ৰা আৰু পংকজ কুমাৰ সিঙকো দিল্লী চৰকাৰৰ মন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰাৰ বাবে শুভেচ্ছা জ্ঞাপন কৰে। তেওঁ কয়, যে শক্তি আৰু অভিজ্ঞতাৰ সুন্দৰ সংমিশ্ৰণ এই দলটোৱে নিশ্চয়কৈ দিল্লীৰ সুশাসন নিশ্চিত কৰিব।

০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে অৰুণাচল প্ৰদেশ আৰু মিজোৰামৰ প্ৰতিষ্ঠা দিৱস উপলক্ষে ৰাজ্য দুখনৰ জনসাধাৰণলৈ শুভেচ্ছা জ্ঞাপন কৰে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত ৰাষ্ট্ৰপতিগৰাকীয়ে দুয়োখন ৰাজ্যৰ বৰ্ণাঢ্য সাংস্কৃতিক ঐতিহ্য আছে বুলি উল্লেখ কৰে। জনসাধাৰণে এই অনবদ্য প্ৰাকৃতিক সম্পদ তথা সাংস্কৃকি ঐতিহ্যৰ সংৰক্ষণ কৰিব বুলি আশা প্ৰকাশ কৰে। তেওঁ লগতে দুয়োখন ৰাজ্যই বিকাশ আৰু প্ৰগতিৰ নতুন শিখৰ স্পৰ্শ কৰাৰ কামনা কৰে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মিজোৰামৰ জনসাধাৰণক প্ৰতিষ্ঠা দিৱসৰ শুভেচ্ছা জনায়. সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীমোদীয়ে কয়, যে এই ৰাজ্যখন প্ৰাকৃতিক সৌন্দৰ্য্য, পৰম্পৰা আৰু জনসাধাৰণৰ আন্তৰিকতাৰ বাবে পৰিচিত। তেওঁ কয়, যে মিজো সংস্কৃতিত ঐতিহ্য আৰু সমন্বয়ৰ এক সুন্দৰ মিশ্ৰণ প্ৰতিফলিত হৈছে। প্ৰধানমন্ত্ৰীয়ে ৰাজ্যখনৰ সমৃদ্ধি, শান্তি, উন্নয়ন আৰু প্ৰগতিৰ যাত্ৰা অধিক ত্বৰান্বিত হোৱাৰ কামনা কৰে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত এন ডি এৰ মুখ্যমন্ত্ৰী আৰু উপ-মুখ্যমন্ত্ৰীসকলৰ এখন বৈঠকত অধ্যক্ষতা কৰে। কেন্দ্ৰীয় মন্ত্ৰী অমিত শ্বাহ, ৰাজনাথ সিং আৰু জে পি নড্ডাও এই বৈঠকত উপস্থিত থাকে। বৈঠকত মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী দেবেন্দ্ৰ ফাড়নবিচ তথা উপ-মুখ্যমন্ত্ৰীদ্বয় একনাথ সিন্দে আৰু অজিত পাৱাৰ, অন্ধ্ৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী চন্দ্ৰবাবু নাইডু তথা উপ-মুখ্যমন্ত্ৰী পৱন কল্যাণ, ওড়িশাৰ মুখ্যমন্ত্ৰী মোহন চৰণ মাঝি, মধ্য

প্ৰদেশৰ মুখ্যমন্ত্ৰী মোহন য়াদৱ, ৰাজস্থানৰ মুখ্যমন্ত্ৰী ভজনলাল শৰ্মা, দিল্লীৰ মুখ্যমন্ত্ৰী ৰেখা গুপ্তা, উত্তৰ প্ৰদেশৰ উপ-মুখ্যমন্ত্ৰী কেশৱ প্ৰসাদ মৌৰ্য্য, বিহাৰৰ উপ-মুখ্যমন্ত্ৰী বিজয় সিন্‌হা উপস্থিত থাকে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ নতুন দিল্লীৰ ভাৰত মণ্ডপমত ছ্‌'ল লীডাৰশ্বিপ শীৰ্ষ সন্মিলনৰ প্ৰথম সংস্কৰণ মুকলি কৰিব। এই সন্মিলনত ভূটানৰ প্ৰধানমন্ত্ৰী ডাশ্বো ছেৰিং টোবগেই মুখ্য অতিথি হিচাপে মূল ভাষণ প্ৰদান কৰিব। এই দুদিনীয়া সন্মিলনে ৰাজনীতি, ক্ৰীড়া, কলা আৰু সংবাদ মাধ্যম, আধ্যাত্মিক জগত, ৰাজহুৱা নীতি, ব্যৱসায় আৰু সামাজিক খণ্ডৰ দৰে বিভিন্ন ক্ষেত্ৰৰ বিশিষ্ট ব্যক্তিসকলক নিজৰ প্ৰেৰণাদায়ক জীৱনযাত্ৰাৰ কথা ভগাই লোৱাৰ মঞ্চ ৰূপে কাম কৰিব। সন্মিলনখনে সহযোগিতা আৰু চিন্তাধাৰাকেন্দ্ৰিক নেতৃত্বৰ বাবে অনুকূলতন্ত্ৰৰ প্ৰসাৰত সহায় কৰিব। ইয়াৰ জৰিয়তে বিফলতা আৰু সফলতা উভয়ৰে পৰা শিক্ষা লাভৰ সুযোগ পোৱা যাব। এনে শিক্ষাই সন্মিলনত ভাগ লোৱা যুৱ শ্ৰোতাসকলক অনুপ্ৰেৰণা যোগাব বুলি আশা কৰা হৈছে।

ooooo

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্‌ জয়শংকৰে জি টুৱেণ্টি বৈদেশিক মন্ত্ৰীসকলৰ বৈঠকত অংশগ্ৰহণ কৰিবলৈ দক্ষিণ আফ্ৰিকাৰ জোহান্সবাৰ্গত উপস্থিত হৈছে। জি টুৱেণ্টি বৈদেশিক মন্ত্ৰীসকলৰ বৈঠকত ড০ এছ্‌ জয়শংকৰৰ অংশগ্ৰহণে জি টুৱেণ্টি দেসসমূহৰ সৈতে ভাৰতৰ সংযোগ শক্তিশালী কৰিব আৰু এই গুৰুত্বপূৰ্ণ মঞ্চত গোলকীয় দক্ষিণৰ কণ্ঠক শক্তিশালী কৰিব।

বৈদেশিক মন্ত্ৰীসকলৰ এই বৈঠকৰ সুযোগতে ড০ এছ্‌ জয়শংকৰে ব্ৰাজিলৰ বৈদেশিক মন্ত্ৰী মাওৰোভিয়েৰক সাক্ষাৎ কৰে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত ড০ জয়শংকৰে কয়, যে তেওঁলোকে দ্বিপাক্ষিক সম্পৰ্ক আৰু বিশ্বৰ উন্নয়নৰ বিষয়ে আলোচনা কৰে।

ড০ জয়শংকৰে ছিংগাপুৰৰ বৈদেশিক মন্ত্ৰী ভিভিয়ান বালকৃষ্ণনক সাক্ষাৎ কৰে। তেওঁ কয়, যে এই বৈঠকৰ সময়ত তেওঁলোকে বিশ্বৰ সাম্প্ৰতিক অৱস্থা আৰু দুয়ো দেশৰ পাৰস্পৰিক সম্পৰ্কক আগুৱাই নিয়াৰ বিষয়ত আলোচনা কৰে।

ooooo

কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে কয়, যে ২০১৪ চনৰে পৰা উত্তৰ পূৰ্বাঞ্চলত কমেও চাৰে ১০ হাজাৰ যুৱকে অস্ত্ৰ সম্বৰণ কৰি মূল সুতিলৈ ঘূৰি আহিছে। নতুন দিল্লীত আয়োজিত একতা উৎসৱ - এটা কণ্ঠ - এটা জাতি অনুষ্ঠানত অংশগ্ৰহণ কৰি মন্ত্ৰী শ্ৰীশ্বাহে কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উত্তৰ পূৰ্বাঞ্চলক সমগ্ৰে দেশতে অষ্টলক্ষ্মীৰূপে প্ৰতিষ্ঠা কৰিছে।

ooooo

দেশৰ মুখ্য অৰ্থনৈতিক উপদেষ্টা ড০ ভি অনন্ত নাগেশ্বৰণৰ কাৰ্য্যকাল ২০২৭ চনৰ মাৰ্চ মাহলৈ বৃদ্ধি কৰা হৈছে। বিত্ত মন্ত্ৰালয়ে আজি এই সম্পৰ্কে এখন নিৰ্দেশনা জাৰি কৰে। ড০ ভি অনন্ত নাগেশ্বৰণে ২০২২ চনৰ জানুৱাৰীত মুখ্য অৰ্থনৈতিক উপদেষ্টা হিচাপে কাৰ্য্যভাৰ গ্ৰহণ কৰিছিল।

ooooo

মিজোৰামত কেন্দ্ৰীয়  ক্ষুদ্ৰ, লঘু আৰু মজলীয়া উদ্যোগৰ ৰাজ্যিক মন্ত্ৰী শোভা কাৰাণ্ডোলাজে কয়, যে ভাৰত বিশ্বৰ পঞ্চম বৃহত্তম আৰু দ্ৰুত গতিত বৃদ্ধি পোৱা অৰ্থনীতি। আজি বিয়লি আইজলত সংবাদ মাধ্যমৰ সৈতে হোৱা কথা-বতৰাত মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে যে, বিগত ১০ বছৰত দেখা পোৱা সুশাসনৰ বাবেই দেশৰ অৰ্থনীতি দ্ৰুত গতিত বৃদ্ধি পাইছে। মন্ত্ৰীগৰাকীয়ে চৰকাৰৰ বিভিন্ন কল্যাণমূলক আঁচনিৰ বিষয়ে দাঙি ধৰি কয়, যে এই আঁচনিসমূহে ৰাইজক সৱল কৰি তোলাৰ প্ৰয়াস কৰিছে। শ্ৰীমতী কাৰাণ্ডোলাজে কয়, যে চৰকাৰে আন্তঃগাঁথনি উন্নয়নৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে, কিয়নো শক্তিশালী আন্তঃগাঁথনিৰ দ্বাৰাহে সামগ্ৰিক অগ্ৰগতি আৰু উন্নয়ন সম্ভৱ হয়। উত্তৰ পূৰ্বাঞ্চলৰ বিষয়ে কওতে মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে যে, চৰকাৰে অঞ্চলটোৰ উন্নয়নত গুৰুত্ব আৰোপ কৰিছে। তেওঁ লগতে কয়, যে উত্তৰ পূবৰ উৎপাদিত সামগ্ৰীৰ জৈৱিক প্ৰকৃতিৰ বাবে কৃষি আৰু উদ্যান শস্যৰ সামগ্ৰীৰ ক্ষেত্ৰত সুবিধা আছে। চৰকাৰে উত্তৰ পূৰ্বাঞ্চলত অধিক ধন আবণ্টন আৰু অধিক আন্তঃগাঁথনিৰ উন্নয়ন ত্বৰান্বিত কৰিবলৈ চৰকাৰ প্ৰতিশ্ৰুতিৱদ্ধ বুলি তেওঁ উল্লেখ কৰে।

ooooo

আই চি চি চেম্পিয়নছ ট্ৰফী ক্ৰিকেট প্ৰতিযোগিতাত আজি ডুবাইত অনুষ্ঠিত খেলত বাংলাদেশে ভাৰতক জয়ৰ বাবে ২২৯ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। খেলখনত টছত জিকি প্ৰথমে বেটিঙৰ সিদ্ধান্ত লোৱা বাংলাদেশৰ দলটো ২২৮ ৰাণত সকলো উইকেট হেৰুৱায়। দলৰ হৈ তৌহিদ হৃদয়ে সৰ্বাধিক ১০০ ৰাণ আৰু জাকিৰ আলীয়ে ৬১ ৰাণৰ বৰঙণি আগবঢ়ায়। ভাৰতৰ হৈ মহম্মদ শ্বামীয়ে ৫টা, হৰ্ষিত ৰাণাই ৩টা আৰু অক্ষৰ পেটেলে দুটা উইকেট দখল কৰে।

বাতৰি যুগুতোৱাৰ পৰলৈকে ভাৰতে ৪ অভাৰত ২২ ৰাণ কৰি খেলি আছে।

ooooo

সমাপ্ত